NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

২। নিৰ্বাচন আয়োগে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা বুলি উত্থাপিত অভিযোগৰ বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে।

৩। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সংসদ ভৱনত ৰাজ্যসভাৰ নৱ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰায়।

৪। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অৰুণাচল প্ৰদেশত চাকমা-হাজংসকলক সংস্থাপন নিদি অসমত সংস্থাপন দিয়াৰ পোষকতা কৰা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিটোৰ সত্যতা অস্বীকাৰ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব।

oooooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত কাইলৈ ১২খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবেও কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও দ্বিতীয় পৰ্যায়তে ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত ভোটগ্ৰহণ তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হৈছে। এই পৰ্যায়ত আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ৪ গৰাকী প্ৰাৰ্থীসহ মুঠ এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

অসমত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰত ই ভি এম সহ উপস্থিত হৈছে।

দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪৭০ টা কেন্দ্ৰত ভোটগ্ৰহণত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল আজি বাক্সা জিলাৰ সদৰ মুছলপুৰৰ পৰা প্ৰয়োজনীয় সামগ্ৰীসহ ৰাওনা হয়। এই নিৰ্বাচনৰ বাবে তামুলপুৰ বিধানসভা সমষ্টিত এহেজাৰ ১৮৪ আৰু গোৰেশ্বৰত এহেজাৰ ১৬০ গৰাকীকে ধৰি মুঠ দুহেজাৰ ২৪৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। তদুপৰি নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰিছে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰী, আৰক্ষী তথা নিৰাপত্তাৰক্ষীসকল নিজ নিজ গন্তব্য স্থানত উপস্থিত হৈছেগৈ। ইপিনে, ডিফু সমষ্টিৰ অন্তৰ্গত কাৰ্বি আংলং নিৰ্বাচনী জিলাত ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত বিষয়াসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। জিলাখনৰ ২০ টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলা বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। ডিফু সমষ্টিৰ অন্তৰ্গত হাফলং বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবেও ১৬৮ গৰাকী বিষয়া উপস্থিত হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচনী জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকল আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেল পথাৰৰ পৰা সংশ্লিষ্ট কেন্দ্ৰসমূহলৈ সা-সামগ্ৰীসহ ৰাওনা হয়।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৪ হাজাৰ ৭৪৫ টা ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ উপৰি ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

oooooooo

নিৰ্বাচন আয়োগে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা বুলি উত্থাপিত অভিযোগৰ বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। আয়োগে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পত্ৰ প্ৰেৰণ কৰি ২৯ এপ্ৰিলৰ দিনৰ ১১ বজাৰ ভিতৰত বিষয়টো সন্দৰ্ভত সঁহাৰি জনাবলৈ কৈছে।

আয়োগে পত্ৰখনত সকলো তাৰকা প্ৰচাৰকক ৰাজনৈতিক বাগধাৰাৰ উচ্চমান বৰ্তাই ৰাখিবলৈ আৰু নিৰ্বাচনী আচৰণবিধি ব্যৱস্থাসমূহ আখৰে আখৰে পালন কৰিবলৈ নিৰ্দেশ দিছে। কংগ্ৰেছ, চি পি আই আৰু চি পি আই এম এ ৰাজস্থানৰ বান্‌ছৱাৰাৰ নিৰ্বাচনী সভাত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণক লৈ আপত্তি উত্থাপন কৰিছে। আনহাতে বিজেপিয়ে কেৰালাৰ কোট্টায়ামত ৰাহুল গান্ধীয়ে দিয়া ভাষণক লৈ আপত্তি দৰ্শাইছে।

oooooooo

বিজেপিয়ে কংগ্ৰেছৰ দলীয় ইস্তাহাৰ ভুলকৈ ব্যাখ্যা কৰা বুলি দলটোৱে অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে কয় যে দলে ভাৰত জোড়ো যাত্ৰা আৰু ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত লাভ কৰা জনসাধাৰণৰ মতামত অনুযায়ী দলীয় ইস্তাহাৰ

যুগুতাই উলিয়াইছে। তেওঁ লগতে বিজেপিয়ে কংগ্রেছৰ ইস্তাহাৰত উল্লেখ নথকা বিষয় উত্থাপন কৰা বুলি অভিযোগ তোলে। বৰ্ধিত মুদ্ৰাস্ফিতী আৰু নিবনুৱা সমস্যাৰ বাবে বিজেপিক জগৰীয়া কৰি শ্ৰী ৰমেশে কয় যে, কংগ্রেছে জনসাধাৰণৰ বিষয়লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰে। কাইলৈ মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। এই পৰ্যায়ত দেশৰ ৯ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০০

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সংসদ ভৱনত ৰাজ্যসভাৰ নৱ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰায়। শপত বাক্য পাঠ কৰা সদস্যসকলৰ ভিতৰত দেৱেন্দ্ৰ প্ৰতাপ সিং, তেজবীৰ সিং আৰু মহেন্দ্ৰ ভাট আছে।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অৰুণাচল প্ৰদেশত চাকমা-হাজংসকলক সংস্থাপন নিদি অসমত সংস্থাপন দিয়াৰ পোষকতা কৰা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিটোৰ সত্যতা অস্বীকাৰ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী ৰিজিজুৱে কয় যে অসমত চাকমা-হাজংসকলক সংস্থাপন দিবৰ বাবে তেওঁ কেতিয়াও কোৱা নাই। তেওঁ কয় যে নাগৰিকত্ব সংশোধনী আইন অনুসৰি অৰুণাচলত চাকমা-হাজংসকল স্থায়ী নাগৰিক হ'ব নোৱাৰে আৰু সেইবাবে চাকমা-হাজংসকলৰ সংস্থাপনৰ বিষয়টো সমাধান কৰিবলৈ শ্ৰী ৰিজিজুৱে নেদাৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হৈছিল। অসমত চাকমা-হাজংসকলক সংস্থাপন দিবলৈ কোৱা হোৱা নাই বুলি কিৰেণ ৰিজিজুৱে স্পষ্টভাৱে জানিবলৈ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই চাকমা-হাজংসকলক অসমত সংস্থাপন দিয়া বিষয়টো ইতিপূৰ্বে অস্বীকাৰ কৰিছে। ইফালে, কংগ্রেছ দলৰ নেতা, সাংসদ তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি সাংবাদিকৰ আগত এই বিষয়টো উল্লেখ কৰি চাকমা-হাজংসকলৰ অসমত সংস্থাপনৰ বিষয়টো সন্দৰ্ভত কিৰেণ ৰিজিজু আৰু মুখ্যমন্ত্ৰীক একেলগে সংবাদমেল সম্বোধন কৰি স্পষ্ট কৰি দিবলৈ আহ্বান জনায়।

০০০০০০০০

বিহাৰৰ পাটনা ৰে'ল ষ্টেচনৰ সমীপৰ এখন হোটেলত আজি দুপৰীয়া সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত তিনিগৰাকী মহিলাসহ ৬ জন লোকে প্ৰাণ হেৰুৱায়। পাটনাৰ আৰক্ষী অধীক্ষক চন্দ্ৰ প্ৰকাশে কৈছে যে, অগ্নিকাণ্ডৰ ঘটনাত ১৫জন লোক আহত হৈছে। আহতসকলক পাটনাৰ চিকিৎসা মহাবিদ্যালয় হাস্পটালত ভৰ্তি কৰোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। হোটেলৰ ৰন্ধন গেছ ছিলিণ্ডাৰৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি কোৱা হৈছে। অগ্নিকাণ্ডৰ বাবে চৌপাশৰ কেইবাটাও অট্টালিকাৰ ক্ষতিসাধন হৈছে। অগ্নি নিৰ্বাপক সেৱাৰ সঞ্চালক প্ৰধান শোভা অ'হটকৰে ৪৫ গৰাকী লোকক উদ্ধাৰ কৰা বুলি প্ৰকাশ কৰিছে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে অগ্নিকাণ্ডৰ ঘটনাত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ সমাবেদনা প্ৰকাশ কৰিছে।

০০০০০০০০

ভাৰতীয় পুৰুষ আৰু মহিলা কম্পাউণ্ড আৰ্চাৰী দলে চাংঘাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্য্যায়ৰ ফাইনেলত প্ৰৱেশ কৰিছে। অভিষেক বাৰ্মা, প্ৰিয়াংশ আৰু প্ৰথমেশ ফুগেৰ ভাৰতীয় পুৰুষ দলটোৱে কালি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াক ২৩৫-২৩৩ ফলাফলত পৰাস্ত কৰাৰ বিপৰীতে জ্যোতি সুৰেখা ৱেন্নম, অদিতি গোপীচান্দ আৰু পৰ্ণীত কৌৰক লৈ গঠিত মহিলা দলটোৱে ছেমি ফাইনেলত এস্তোনিয়াক ২৩৫-২৩০ ফলাফলত পৰাভূত কৰে। পুৰুষ দলটো ফাইনেলত নেডাৰলেণ্ডছৰ আৰু মহিলা দলটো ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষ আৰু মহিলা উভয় শাখাৰ ফাইনেল খেলসমূহ পৰহিলৈ অনুষ্ঠিত হ'ব।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব।

ইপিনে, যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দেলহি কেপিটেলছে গুজৰাট টাইটানছক ৪ ৰানত পৰাস্ত কৰে। খেলখনত দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক ঋষভ পণ্টৰ অপৰাজিত ৮৮ আৰু অক্ষৰ পেটেলৰ ৬৬ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ'ভাৰত ৪টা উইকেট হেৰুৱাই ২২৪ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ২২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

oooooooo

সমাপ্ত